


# হৃদয়ৰ অভ্যন্তৰলৈ যোৱা পথ

'তোৰ চকুৰ মণিৰ পৰা হৃদয়লৈ এটা বাট আছে
মই তোৰ চকুৰ মণিত থিয় দিওঁ
আৰু হৃদয়লে নামি যাওঁ।'

(অনুপম চক্ৰৱৰ্ত্তী)

■ জিতুমণি পাঠক

হৃদয়ৰ অভ্যন্তৰলৈ নামি যোৱাৰ পথ এটা নহয়, অলেখ। হৃদয় নিৰুদ্দিষ্ট ঠিকনা নহয় যাক বিচাৰি মৰীচিকা খেদাৰ পণ্ডশ্ৰম হ'ব। হৃদয় এক অৱয়াহীন অনুভূতি যাৰ অস্তিত্ব অনুভৱ কৰিব পাৰি জীৱনৰ কোঁহে কোঁহে। জীৱন পথৰ প্ৰতিটো আলি কেকুঁৰীত, সংঘাতপূৰ্ণ মুহূৰ্তত, বিপন্ন সময়ৰ পল অনুপলবোৰত সততে মূৰ্ত্তমান হৈ উঠে ইয়াৰ কায়াহীন ভাস্কৰ্য্য। বিমূৰ্ত্ত এই ধাৰণাৰ মূৰ্ত্তমান ৰূপ প্ৰত্যক্ষ কৰিবলৈ প্ৰয়োজন সংবেদনশীল কঁহুৱা কোমল মনৰ। হয়তো তাৰেই অভাৱত আমিবোৰ বাৰে বাৰে ঠেকা খাই উভতি আহিব লাগে হৃদয় আৱৰি ৰখা অদৃশ্য দেৱালত। হৃদয়ৰ অন্তঃস্থললৈ যাব পৰা হাজাৰটা পথৰ এটাৰ সন্ধান উলিওৱাব নোৱাৰা আমিবোৰৰ জীৱৰ মাজত নিজৰ 'শ্ৰেষ্ঠতা'ৰ বাবে কৰা দাবী নহয় জানো নিজকে কৰা এক চূড়ান্ত উপহাস! প্ৰাচুৰ্য্যৰ চিক্‌মিকনিত আজি হৃদয়ৰ স্থান অসুৰক্ষিত। হৃদয়ক সাৰ পানী যোগোৱা সুকোমল অনুভূতিবোৰক যান্ত্ৰিকতাত পিষ্ট কৰি বিপদাপন্ন কৰি তোলা হৈছে ইয়াৰ অস্তিত্ব। কিয় বাৰু পাহৰি যাওঁ হৃদয়ক চিনিবলৈ প্ৰয়োজন হৃদয়ৰ। সূক্ষ্ম, কোমল, সংবেদনশীল হৃদয় গচকত পিষ্ট হোৱা দূৱৰি জোপাৰ যান্ত্ৰণা বুজি পোৱাৰ হৃদয়, থূপ খাই থকা অপ্ৰকাশ্য বেদনাক অনুভৱ কৰিব পৰা হৃদয়। কিন্তু আজি চৌপাশে দৃশ্যমান হয় কিছুমান হৃদয়হীন মানুহৰ টিঘিল-ঘিলনি। হৃদয়হীনতা আজিৰ মানৱ সমাজৰ এক মাৰাত্মক ব্যাধি বা আন এচামৰ বাবে আভিজাত্য প্ৰদৰ্শনৰ অত্যাধুনিক ফেশ্যন। হৃদয়ৰ অভ্যন্তৰলৈ যোৱাৰ পথবোৰ খুলি দিয়াৰ সলনি বৃদ্ধি পাইছে ইয়াক ৰুদ্ধ কৰাৰ প্ৰৱণতা। জীৱনৰ মহঙা বজাৰত আজি হৃদয় এক দুৰ্লভ সামগ্ৰী, যাৰ চাহিদাই ইংগিত কৰে ইয়াৰ সংৰক্ষণ যোগ্যতা।

## এটা তৰল ঘটনাৰ ধ্ৰুপদী গাম্ভীৰ্য্য

মানুহৰ মুখখন হেনো দাপোনাৰ দৰে। হৃদয় অভ্যন্তৰত ঘটা আন্দোলন নিজৰ অজানিতে প্ৰতিফলিত হয় মানুহৰ মুখাৱয়ৱত সেয়েহে মোৰ হৃদয়ৰ অভ্যন্তৰত চলি থকা ধুমুহা জাকৰ উমান চাগৈ পাইছিল তেওঁ। সদায় আটোম-টোকাৰিকৈ ফণিয়াই ৰখা চুলি কোছা কেতিয়া আউলি-বাউলি হৈ পৰিছিল সেয়া খেয়াল কৰাৰ সময় মোৰ নাছিল। মুখমণ্ডলতো চাগৈ প্ৰতিফলিত হৈছিল দুঃচিন্তাৰ প্ৰতিচ্ছবি। মোৰ সদা পৰিচিত ছবিৰ সৈতে নিমিলা ৰূপ। সেয়া লক্ষ্য কৰিছিল মোৰ সহকৰ্মীগৰাকীয়ে। আন্তৰিকতাৰে জানিব বিচাৰিছিল মোৰ কিবা সমস্যা হৈছে নেকি। দুঃস্থ হৃদয়ে লাভ কৰিছিল সান্ত্বনা। এক হৃদয়ৱান ব্যক্তিক কাষতে পোৱাৰ বাবে, যিয়ে মোৰ হৃদয়ৰ অভ্যন্তৰলৈ যোৱাৰ এটা হ'লেও পথ চিনি পায়। কিন্তু আন এগৰাকী সহকৰ্মী যিগৰাকীয়ে মোৰ সৈতে ইতিপূৰ্বে বহু সময় ব্যতিত কৰিছে তেওঁ একেই ৰূপ দেখি সুধিছিল মই মোৰ 'হেয়াৰ ষ্টাইল' সলনি কৰিলো নেকি। কিয় জানো চুলি কোছাৰ আঁৰত থকা মোৰ অপ্ৰকাশ্য বেদনাক তেওঁ দেখা নাপালে, দেখা পালে বাহ্যিক ৰূপটোক। সেয়া চাগৈ তেওঁৰ হৃদয়ৰ অন্তঃস্থললৈ জুমি চোৱাৰ অক্ষমতা নতুবা ইচ্ছাকৃত উদাসীনতা। ভাব হ'ল কায়িকভাৱে যদিও আমি বহু ওচৰত, আত্মিকভাৱে তেওঁৰ অৱস্থিতি মোৰ হৃদয়ৰ বহুযোজন দূৰত। হৃদয়ৰ অভ্যন্তৰলৈ যোৱাৰ সকলো পথ, তেওঁৰ বাবে, সকলোৰে বাবে খোলাই ৰাখিছিলো, যাতে ইচ্ছা কৰিলেই সোমাব পাৰে কিয় জানো তেওঁ তাক চিনি নাপালে, বিচাৰি নাপালে।

সৰু গল্প এটিলৈ মনত পৰিল 'ইজনে-সিজনক হৃদয়ৰ অন্তঃকৰণৰে ভালপোৱা বুলি ভবা প্ৰেমিকাজনীয়ে প্ৰেমিকৰ মাতৃৰ হৃদয়খন লাগে বুলি প্ৰেমিকৰ ওচৰত আব্দাৰ জুৰিলে। হৃদয়ৰ সম্ৰাজ্ঞীক সুখী কৰিবলৈ প্ৰেমিক বেচেৰাই মাতৃক হত্যা কৰি বুকুফালি হৃদয়খন উলিয়াই লৰি গ'ল প্ৰেমিকাৰ ওচৰলৈ। লৰা-ঢপৰাত বাটতে উজুটি খাই পৰিল প্ৰেমিক। হাতৰ মুঠিৰ পৰা ছিটিকি পৰা মাতৃ হৃদয়/আৰ্তনাদ কৰি উঠিল— সোণটো, দুখ পালা নেকি?'

## 'বিন্দাছ' জীৱন দৰ্শন

জীৱনটো 'বিন্দাছ' বুলি ভবা এচাম লোকৰ সৈতে মাজে মাজে মোৰ দেখা দেখি হয়। আমদানীকৃত এই শব্দটি বুজিবলৈ মোক কিছু সময়ৰ প্ৰয়োজন হৈছিল। কিছুদিন এওঁলোকৰ জীৱন প্ৰণালী নিৰীক্ষণ কৰাৰ পিছত এই সিদ্ধান্তত উপনীত হৈছিলো যে তেওঁলোকৰ জীৱন দৰ্শনত জীৱন এক উপভোগৰ আহিলা মাথোন। অতি আত্মকেন্দ্ৰিক এই চামটোৱে নিজৰ জীৱনটো উপভোগ কৰাৰ নামত আনৰ সুখ-দুখলৈ কাণষাৰ দিয়াৰ প্ৰয়োজনবোধ নকৰে বুলি অনুভৱ হ'ল। আনৰ হৃদয়ৰ অনুভূতিক প্ৰাধান্য দিব নিবিচৰা এই চামটোৱে হৃদয়ৰ অভ্যন্তৰলৈ যোৱা পথবোৰৰ বহুদূৰত যেন অৱস্থান কৰিছে। লগতে ৰুদ্ধ কৰি দিছে নিজৰ হৃদয়লৈ সোমোৱা পথবোৰো। নিজেই আটাইতকৈ সুখী, তেৱেঁই জীৱনটোক আটাইতকৈ বেছি উপভোগ কৰিছে এনে এক মিথ্যা ধাৰণা আনক দিবলৈ সততে আশ্ৰয় লৈছে শঠতাৰ, ভণ্ডামিৰ। তেওঁলোকৰ সেই অতি বাহ্যিকতাত মোৰ সন্দেহ হয়। আনৰটো দূৰৰেই, নিজৰেই হৃদয়ৰ অভ্যন্তৰত তেওঁলোকো প্ৰৱেশ কৰিব পাৰিছেনে নাই! অলপতে খলিল জিব্ৰানৰ 'লুকা-লুকি' নামৰ খুব সৰু অথচ গভীৰ অৰ্থপূৰ্ণ গল্প এটা পঢ়িলো। গল্পটো এনে ধৰণৰ— 'আঁহা, আমি লুকালুকি খেলোঁ। যদি তুমি মোৰ হৃদয়ত লুকোৱা, তেন্তে তোমাক বিচৰাটো মোৰ কষ্টকৰ নহ'ব। কিন্তু, যদি তুমি তোমাৰ মুখাৱয়াৱৰ আঁৰত লুকোৱা, তেন্তে তোমাক বিচৰাটো নিৰৰ্থক হ'ব।

## খুলি দিয়া হৃদয়ৰ সকলো ৰুদ্ধ পথ

আঁহা আজি সকলোৱে চেষ্টা কৰো ইজনে-সিজনৰ হৃদয়ৰ অভ্যন্তৰত প্ৰৱেশ কৰিবলৈ। মুক্ত কৰি দিওঁ আহা হৃদয়ৰ সকলো ৰুদ্ধ পথ। জীয়াই ৰাখিবলৈ যত্নপৰ হওঁ নিজ হৃদয়ৰ সূক্ষ্ম কোমল অনুভূতিবোৰক, যিদৰে যত্ন কৰি জীয়াই ৰাখো গছপুলি এডালক। তোমাৰ হৃদয়, মোৰ হৃদয় হওক এখন মুক্ত চৰণীয়া পথাৰৰ দৰে, অসংখ্য পথেৰে য'ত আহ-যাহ কৰিব পাৰিব অবাধে সকলোৱে। এনেদৰে গঢ়ি উঠক এচাম হৃদয়ৱান লোকৰ যি সৃষ্টি কৰক নতুন আৰু এটা চামৰ। জ্যামিতিক গতিত পলে-পলে বৃদ্ধি পাওক তাৰ সংখ্যা। গঢ়ি উঠক এখন পূৰ্ণাঙ্গ হৃদয়ৱান লোকৰ সমাজ, য'ত 'হৃদয়হীনতা' হওক এক আউটডেটেড ফেশ্যন।